জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২৭২/২০২১

ৰাজ্যৰ প্ৰথমগৰাকী স্বাধীনতা সেনানী গমধৰ কোঁৱৰৰ প্ৰতিমূৰ্তিত গভীৰ শ্ৰদ্ধা নিবেদন মুখ্যমন্ত্ৰীৰ

# গমধৰ কোঁৱৰ স্মৃতি সুৰক্ষা সমিতিলৈ ১ কোটি টকাৰ অনুদান ঘোষণা মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ১৫ ছেপ্টেম্বৰ ঃ** মৰিয়নি বিধানসভা সমষ্টিৰ অন্তৰ্গত নকছাৰীস্থিত গমধৰ কোঁৱৰ স্মৃতি উদ্যানত উপস্থিত হৈ অসমত বৃটিছৰ বিৰুদ্ধে স্বাধীনতা সংগ্ৰামৰ পাতনি মেলা ৰাজ্যৰ প্ৰথমগৰাকী স্বাধীনতা সেনানী গমধৰ কোঁৱৰৰ প্ৰতিমূৰ্তিত পুষ্পাঞ্জলি অৰ্পণ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গভীৰ শ্ৰদ্ধা নিবেদন কৰে।

ইয়াৰ পিছতে গমধৰ কোঁৱৰ স্মৃতি সুৰক্ষা সমিতিৰ উদ্যোগত আয়োজিত এক কাৰ্যসূচীত অংশ লৈ মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে বৃটিছৰ বিৰুদ্ধে গমধৰ কোঁৱৰৰ নেতৃত্বত ৰাজ্যত প্ৰথমবাৰৰ বাবে স্বাধীনতা যুঁজৰ উকমুকনি হৈছিল। মহান স্বাধীনতা সংগ্ৰামীগৰাকীয়ে বৃটিছৰ বিৰুদ্ধে যুঁজ দি তেওঁৰ স্বাধীনচেতীয়া মন আৰু জাতিটোৰ স্বাৰ্থৰ হকে যুঁজাৰ সৱল মানসিকতাৰ পৰিচয় দি গৈছে। অৱশ্যে বিভিন্ন কাৰণত এতিয়াও এই মহান স্বাধীনতা সেনানীগৰাকীৰ বিষয়ে দেশবাসী অৱগত নহয়। সেয়েহে, স্বাধীনতা সেনানী গমধৰ কোঁৱৰক ৰাষ্ট্ৰীয় পৰ্যায়ত পৰিচিত কৰি তুলিবলৈ ৰাজ্য চৰকাৰে দায়বদ্ধতাৰে পদক্ষেপ গ্ৰহণ কৰিব।

এই অনুষ্ঠানতে গমধৰ কোঁৱৰ স্মৃতি সুৰক্ষা সমিতিয়ে কেইবাদফীয়া দাবী সম্বলিত এখন স্মাৰক পত্ৰ মুখ্যমন্ত্ৰীক প্ৰদান কৰে। স্মাৰক পত্ৰ গ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই সমিতিখনলৈ গমধৰ কোঁৱৰৰ স্মৃতি সুৰক্ষাৰ অৰ্থে বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰিবলৈ ১ কোটি টকাৰ অনুদানৰ কথা ঘোষণা কৰে।

তদুপৰি, ৰাজ্য চৰকাৰে অসম মালা আঁচনিৰ অধীনত মৰিয়নি সমষ্টিৰ প্ৰাণকেন্দ্ৰ স্বৰূপ ধোদৰআলি নিৰ্মাণ আৰু উন্নয়নৰ পদক্ষেপ ল'ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে লগতে কয় যে বৰ্তমান দুৰাৰোগ্য ৰোগত আক্ৰান্ত বিশিষ্ট নাট্যকাৰ, গৱেষক, শিক্ষাবিদ তথা গমধৰ কোঁৱৰ স্মৃতি সুৰক্ষা সমিতিৰ প্ৰতিষ্ঠাপক সম্পাদক ড° জিণ্টু হাজৰিকাৰ সু-চিকিৎসাৰ বাবে ৰাজ্য চৰকাৰে যথোচিত ব্যৱস্থা গ্ৰহণ কৰিব।

শিক্ষামন্ত্ৰী ক্ৰমে ডাঃ ৰণোজ পেগু আৰু ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী যোগেন মহন, সাংসদদ্বয় ক্ৰমে তপন কুমাৰ গগৈ আৰু কামাখ্যা প্ৰসাদ তাছা, মৰিয়নি সমষ্টিৰ প্ৰাক্তন বিধায়ক ৰূপজ্যোতি কুৰ্মীও উপস্থিত থাকে।

**বীঃগঃ**
**১৫-০৯-২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in